# সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতি

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাষিকৰ অসমীয়া DSE-2 (H)
কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প।


তত্বাৱধায়ক ঃ
ড° মৃণালী কাগ্যুং
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা ঃ
চয়নিকা শইকীয়া
স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাষিক
অসমীয়া বিভাগ
Roll No ঃ 30810160
Registration No ঃ S1921768

## নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ


ইং২০২২ বৰ্ষ

<u>সোণোৱাল কছাৰী সকলৰ বিবাহ পদ্ধতি</u>

# সূচীপত্ৰ


কৃতজ্ঞতা জ্ঞাপন

তত্বাৱধায়কৰ প্ৰমাণ-পত্ৰ

বিভাগীয় প্ৰধানৰ প্ৰমাণ পত্ৰ

০.০০ প্ৰস্তাৱনা

০.০১ বিষয়ৰ পৰিচয়

০.০২ বিষয়ৰ উদ্দেশ্য

০.০৩ বিষয়ৰ পৰিসীমা

০.০৪ বিষয় অধ্যয়ন পদ্ধতি

০.০৫ পূৰ্বকৃত অধ্যয়ন

**প্ৰথম অধ্যায়**

১.০০ সোণোৱাল কছাৰীসকলৰ চমু পৰিচয়

**দ্বিতীয় অধ্যায়**

২.০০ সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতি

২.০১ তোলনী বিয়া

২.০২ বৰবিয়া

ক) নোৱাই-ধোৱাই দিয়া বৰবিয়া

খ) অনুষ্টুপীয়া অথবা ৰভা সৰকাই দিয়া বিবাহ

গ) গন্ধৰ্ব বিবাহ বা পলুৱাই নিয়া বিবাহ

২.০৩ ঘৰ উঠা

২.০৪ বিধৱা বিবাহ

২.০৫ বিয়া নাম

**তৃতীয় অধ্যায়**

৩.০০ সিদ্ধান্ত

৩.০১ উপসংহাৰ

প্ৰসঙ্গ টোকা

গ্ৰন্থপঞ্জী

তথ্য দাতাসকলৰ পৰিচয়।

আলোক চিত্ৰ

অসমীয়া বিভাগ

# নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

স্থাপিত ঃ ১৯৫৯

প্ৰসঙ্গ নং.................. তাৰিখঃ .........................

## প্ৰমাণ-পত্ৰ

শ্ৰীমতী চয়নিকা শইকীয়া স্নাতক কলা শাখাৰ ষষ্ঠ যাণ্মাসিকৰ (ৰোল নং ৩০৮১০১৬০) ছাত্ৰী। তেওঁ মোৰ তত্বাৱধানত DSE-2 (H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে “সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতি” বিষয়ত গৱেষণা কাৰ্য সম্পাদন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

তত্বাৱধায়ক<br>
অসমীয়া বিভাগ,<br>
নন্দনাথ শইকীয়া মহাবিদ্যালয<br>
তিতাবৰ।

অসমীয়া বিভাগ

# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন-৭৮৫৬৩০

প্ৰসঙ্গ নং..................                                                                 তাৰিখঃ ০৭-০৭-২০২২

## প্ৰমাণ-পত্ৰ

শ্ৰীমতী চয়নিকা শইকীয়া স্নাতক ষষ্ঠ যাণ্মাসিক কলা শাখা (বিশ্ববিদ্যালয় ৰোল নং ৩০৮১০১৬০) ৰ ছাত্ৰী। তেওঁ ড° মৃণালী কাগয়ুঙৰ তত্বাৱধানত DSE-2 (H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ "**সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতি**" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্য্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

বিভাগীয় প্ৰধান<br>
অসমীয়া বিভাগ,<br>
নন্দনাথ শইকীয়া মহাবিদ্যালয<br>
তিতাবৰ।

# কৃতজ্ঞতা জ্ঞাপন

‘ ‘সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতি’ এট আলোচনা শীর্ষক প্রকল্পখন ড° মৃণালী কাগ্যুং বাইদেউৰ তত্ত্বাৱধানত প্রস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

বিষয়বস্তু নির্বাচনৰপৰা আদি কৰি গৱেষণা বিষয়ক বহুতো দিহা- পৰামর্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যাসমূহৰ সমাধানৰ ক্ষেত্রত ড° মৃণালী কাগ্যুং বাইদেৱে সম্পূর্ণ সহায় সহযোগীতা আগবঢ়াই এই গৱেষণা পত্রখন প্রস্তুত কৰাত সহায় আগবঢ়ালে যাৰ বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। তেখেতক হিয়াভৰা শ্রদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্রমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কর্মকর্তাক মোৰ গৱেষণা পত্রত সহযোগিতা আগবঢ়োৱা বৰপাছী গাঁৱৰ অনিমা কছাৰী আৰু ললিতা কছাৰীকে ধন্যবাদ জনাঁলো।

ডি.টি.পি. ত সহায় কৰা যতিন শইকীয়াক গৱেষণাৰ ক্ষেত্র অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লগত যোৱা আৰু কিতাপ পত্র দি সহায় কৰা মোৰ মৰমৰ বান্ধবী প্রিয়াশ্রী বৰুৱা, পম্পী শইকীয়া, ৰিজুমনী কছাৰী আৰু গৱেষণা কার্যত আৰম্ভণিৰে পৰা সহায় সহযোগীতা আগবঢ়োৱা মোৰ মা, দেউতা, ভণ্টি আৰু মাহীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ’লো।

চয়নিকা শইকীয়া
মাতক, ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ

# ০.০০ প্ৰস্তাৱনা

সোণোৱাল কছাৰী সকল অসমৰ এক ভূমিপুত্ৰ জনজাতি। এওঁলোক মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত আৰু বৃহৎ বড়ো জনগোষ্ঠাৰ অন্যতম ঠাল। জনশ্ৰুতি মতে, সোণোৱাল কছাৰী সকলে আহোম সকলৰ ৰাজত্ব কালত সোৱণশিৰি নদীৰ সোণ বুটলা কামত নিযোক্তি পাইছিল কাৰণেই এওঁলোকক সোণোৱাল কছাৰী নাম দিয়া হয় বুলি ক'ব খোজে। আন এক জনশ্ৰুতিৰ মতে, স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত শদিয়াৰ ওচৰত বাস কৰা কছাৰী সকলে টেঙাপানী নদীৰ পাৰত বাহৰ পতা কেশদেৱ গোস্বামী গুৰুৰ ওচৰত কাক বাহৰ চুঙাত সোণ পৰীক্ষা কৰি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ বাবেহে তেওঁলোক সোণোৱাল নামেৰে পৰিচিত হ'ল।

শ্ৰী গগণচন্দ্ৰ সোণোৱালৰ মতে, মূল বৃক্ষ হিচাপে কছাৰী সকল এটা পৰাক্ৰমী আৰু সু-সংগঠিত জাতি আছিল। আদিতে সকলোৰে একগোট হৈ ৰাজপাট চলাইছিল। এইদৰে থাকোতে আহোম ৰজা আৰু ওচৰ চুবুৰিয়া ৰজা সকলৰপৰা সঘনাই আক্ৰমণৰ হেঁচা পোৱাত কোনো কোনোৱে মুলৰপৰা ফাটি আহি অসম উপত্যকাৰ ঠায়ে ঠায়ে বসতি কৰিবলৈ লয়। এনেধৰণেৰে ফাটি অহাৰ ফলতেই মূল কছাৰীৰপৰা বড়ো কছাৰী, ঠেঙাল কছাৰী, মেছ কছাৰী, লালুং কছাৰী, ৰাভা, ডিমাছা, হাজং, সোণোৱাল কছাৰী আদিৰ সৃষ্টি হয় বুলিঅনুমান কৰ হয়।

অসমৰ বিভিন্ন ঠাইত সোণোৱাল কছাৰী লোকসকল বসবাস কৰি আহিছে। যেনে- ডিব্ৰুগড়, যোৰহাট, লক্ষীমপুৰ, শিৱসাগৰ আদি। সোণোৱাল কছাৰী এই লোকসকল ঘাইকৈ কৃষি জীৱী লোক। এওলোক সহজ-সৰল প্ৰকৃতিৰ। কলা-কৃষ্টি, গীত-মাত, ৰীতি-নীতি সামাজিক পৰম্পৰা আদি সাংস্কৃতিক ক্ষেত্ৰত এই সোণোৱাল কছাৰী লোকসকল অতিকে চহকী। গীত-মাতৰযোগেদি নিজৰ ঐতিহাসিক পৰিচয় দাঙি ধৰা সোণোৱাল কছাৰী সকলৰ পথাৰখন ভিন ভিন শইচেৰে নদন-বদন।

**০.০১ বিষয়ৰ পৰিচয়**

সোণোৱাল কছাৰী সকল কেৱল ভূমিপুত্ৰ জনজাতিয়েই নহয়, সাংস্কৃতিক ভাৱে চহকী এটা জাতি। বিভিন্ন জাতি জনগোষ্ঠীৰ জনজাতিসকলৰ মাজত নিজস্ব ৰীতি-নীতি পৰম্পৰা পৰিলক্ষিত হয়। অসমৰ তৃতীয় বৃহৎ জনগোষ্ঠী সোণোৱাল কছাৰী সকলৰ মাজতো বিভিন্ন নীতি নিয়মৰ মাজেৰে বিভিন্ন কাৰ্য্য সম্পাদন কৰা দেখা যায়। যিবোৰ স্বকীয় প্ৰণালী একোমুঠী বান্ধক এটা জাতি সত্বা বুলি চিনাকি কৰি দিয়াকৈ সৰল কৰি তোলে এই সকলোবোৰ সোণোৱাল কছৰী সকলৰ মাজত আছে। জীৱনৰ অনবদ্য অংগ বিবাহ কাৰ্য্যৰ লগত জড়িত নীতি নিয়ম সমূহ সোণোৱাল জনগোষ্ঠীৰ লোকসকলে কেনেদৰে পালন কৰে এই কাকত খনৰ জৰিয়তে আলোচনা কৰা হৈছে।

**০.০২ বিষয়ৰ উদ্দেশ্য**

কোনো এটা মানৱ জাতিৰ মাজত বছৰ বছৰ ধৰি পৰম্পৰাগত ভাৱে চলি অহা কিছুমান নীতি-নিয়ম, ৰুচী-অভিৰুচী, বিশ্বাস-অন্ধবিশ্বাস, জ্ঞান-ধৰ্ম আদিৰ মাজেদি সংস্কৃতি গঢ় লৈ উঠিছে। সংস্কৃতি জাতি এটাৰ সৌন্দৰ্যৰ ভূষণ। সংস্কৃতি মানৱ সৃষ্ট। বাৰেৰহণীয়া সৃংস্কৃতিৰ মিলনভূমি এই অসম নামৰ ভূ-খণ্ডত বিভিন্ন জাতি জনগোষ্ঠীয় নিজৰ সাংস্কৃতিক বৰ্তি আছে। অসমত বাস কৰা প্ৰতিতো জনগোষ্ঠীৰ নিজা সামাজিক নীতি নিয়মৰ মাজেৰে বিভিন্ন অনুষ্ঠান পালন কৰা দেখা যায়। সোণোৱাল কছাৰী লোকসকলৰ মাজতো তেনেদৰে বিভিন্ন অনুষ্ঠান পালন কৰা দেখা যায়। বিবাহ হ'ল মূলত এক সামাজিক পৰম্পৰা। তেওঁলোকৰ বিবাহ কাৰ্য্যৰ লগত জড়িত বিভিন্ন নীতি নিয়ম আদি পৰম্পৰা সমূহ দাঙি ধৰাই হৈছে এই
পত্ৰখনৰ মুল উদ্দেশ্য।

**০.০৩ বিষয়ৰ পৰিসীমা**

এই গৱেষণা পত্ৰখনৰ জৰিয়তে সোণোৱাল কছাৰী সকলৰ মাজত প্ৰচলিত বিবাহ সম্পৰ্কীয় ৰীতি-নীতি পৰম্পৰা সমূহ কেনেদৰে পালন কৰা হয় তাৰ আভাস দিয়া। সোণোৱাল জনগোষ্ঠীৰ চমু পৰিচয়কে আদি কৰি এই জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত বিবাহ ব্যৱস্থা বা পদ্ধতি কেই প্ৰকাৰৰ আৰু কি কি, তাৰ লগতে এই জনগোষ্ঠীয় লোকসকলে কি কি নীতি নিয়ম আদিৰ জৰিয়তে এই বিবাহৰ দৰে মাংগলিক কাৰ্য্য সম্পাদন কৰে, বিয়া নাম তাৰ আলমতেই এই নীতি-নিয়ম পৰম্পৰা সমূহ সামৰি এই পত্ৰখন প্ৰস্তুত কৰা হৈছে।

০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোতে প্ৰধানকৈ বিশ্লেষণাত্মক আৰু ঐতিহাসিক পদ্ধতিৰ অৱলম্বন কৰা হৈছে। পত্ৰখন প্ৰস্তুত কৰোতে প্ৰধানকৈ নপাম চেৰেলি গাঁও, শইদাল কছাৰী, বৰপাঁছী গাঁৰৰ কেইগৰাকীমান মহিলাৰ সহায়ত বিষয়টো সম্পৰ্কে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে। আৰু সোণোৱাল কছাৰী সকলৰ পৰিচয় সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ পুথিৰো সহায় লোৱা হৈছে। গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহৰ পদ্ধতি হিচাপে সাক্ষাৎকাৰ পদ্ধতিৰ সহায় লোৱা হেছে। সাক্ষাৎকাৰৰ যোগেদি তথ্য দাতা গৰাকীক কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰা হৈছিল। যেনে-

১)সোণোৱাল কছাৰী সকলৰ পৰিচয়
২)সোণোৱাল কছাৰী সকলৰ বিবাহ কেই প্ৰকাৰৰ
৩)সোণোৱাল কছাৰী সকলৰ কি কি পদ্ধতিৰ সহায়ত বিবাহ অনুষ্ঠান সম্পাদন কৰা হয়
৪)সোণোৱাল কছাৰী সকলৰ বিবাহৰ ৰীতি- নীতি, পৰম্পৰা বিবাহৰ লগত জড়িত খাদ্যভাস বাদ্যযন্ত্ৰ।
৫)তোলনী বিয়াৰ নীতি-নিয়ম
৬)বৰ বিয়াৰ ৰীতি-নীতি তাৰ লগতে বিয়া নাম আদি।

উল্লেখিত প্ৰশ্নসমূহৰ দ্বাৰা লাভ কৰা উত্তৰ সমূহ আৰু বিভিন্ন গ্ৰন্থপঞ্জী সহায়ৰ আধাৰতে সাধাৰণতে এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**০.০৫ পূৰ্বকৃত অধ্যয়ন**

সোণোৱাল কছাৰীৰ বিবাহ পদ্ধতিৰ আলোচনা সম্পৰ্কীয় যথেষ্ট সংখ্যক গ্ৰন্থ দেখিবলৈ পোৱা যায়।

ড° উপেন ৰাভা হাকাচাম আৰু ড° প্ৰফুল্ল কুমাৰ নাথৰ সম্পাদনা অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ গ্ৰন্থত সোণোৱাল কছাৰীসকলৰ বিবাহ সম্পৰ্কীয় আলোচনা আছে।

ড° লভিত কুমাৰ শইকীয়াৰ দ্বাৰা ৰচিত সোণোৱাল কছাৰী সংস্কৃতি গ্ৰন্থখনৰ সোণোৱাল সমাজত প্ৰচলিত তোলনী বিয়া, বৰ বিয়া আদিৰ আলোচনা আছে।

# প্ৰথম অধ্যায়

**১.০০ সোণোৱাল কছাৰীসকলৰ চমু পৰিচয় ঃ**

সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকসকল সাংস্কৃতিক ভাৱে অতি চহকী জাতি। এই ভূমিপুত্ৰ সকলৰ পূজা-পাতল, কলাকৃষ্টি আৰু গীত-মাতক লৈ নিৰ্মাণ কৰা যিবোৰ উমৈহতীয়া ৰীতি-নীতি, সামাজিক পৰম্পৰা, বিশ্বাস, জীৱন-নিৰ্বাহৰ প্ৰণালী একোমুঠী বান্ধক এটা জাতি সত্বা বুলি চিনাকি দিব পৰাকৈ সবল কৰি তোলে এই সোণোৱাল কছাৰী লোকসকলৰ মাজত আছে।

সোণোৱাল কছাৰীসকলৰ বিভিন্ন উৎসৱ-পাৰ্বণৰ ভিতৰত বহাগ বিহু প্ৰধান। বিহুত গাঁৱৰ নামঘৰত হুচৰি আনুষ্ঠানিকভাৱে আৰম্ভ কৰি ঘৰে ঘৰে হুচৰি গায়। হুচৰি দ'লটোৱে এডাল দীঘল বাঁহ লৈ যায় আৰু গৃহস্থৰ ঘৰৰ চোতালত তিনিটা খুটাৰ ওপৰত ৰাখি বিহু নামৰ তালে তালে বজায়। মাঘ আৰু কাতি বিহুও এওঁলোকে পালন কৰে। সোণোৱাল কছাৰীসকলৰ ধৰ্ম জীৱনৰ ঘাই হৈছে 'খ্ৰীং খ্ৰীং বাইথ' পুজা। তেওঁলোকৰ ধৰ্ম হৈছে বাইথ ধৰ্ম। খ্ৰীং ৰজা হৈছে তেওঁলোকৰ প্ৰধান ইষ্ট দেৱতা। খ্ৰীং শব্দটোত বাইথ, গজাই, মনাই আৰু ফুলকোঁৱৰ এই চাৰিজন উপাসাৰ সযুক্ত ৰূপ শক্তিক বুজায়। সোণোৱাল কছাৰীসকলৰ গীত-মাত সমূহৰ ভিতৰত সৰ্বপ্ৰথমে নাম ল'ব লগা গীতটো হৈছে হাইদাং গীত। 'খ্ৰীং গ্ৰীং বাইথ, পূজাৰ তৃতীয় দিনা হাইদাং গীত গোৱা হয়। এই গীতটোক অসমীয়া সংস্কৃতিৰ এটা আপুৰুগীয়া সম্পদ বুলি গণ্য কৰা হয়। হাইদাং গীত আৰু নৃত্য, বহুৱা গীত আৰু নৃত্য, ফুলকোঁৱৰ-মণিকোঁৱৰ গীত, লেছেৰী গীত আৰু নৃত্য,গোঁসাই বা নামঘৰৰ নাম, আইনাম, বিহুগীত, বিয়ানাম আদিৰে সোণোৱাল কছাৰীসকলৰ লোক-সাহিত্য ভৰি আছে।

গঁজাই থান সোণোৱাল লোকসকলৰ বাবে অতি পবিত্ৰ তীৰ্থ স্থান। ডাঙৰী নদীৰ পাৰত লাইনা গাঁৱত গঁজাই থান অৱস্থিত। গঁজাইক তেওঁলোকে অগতিৰ গতি স্বৰূপে বিশ্বাস কৰে। জনশ্ৰুতি অনুসৰি গঁজাই গুৰু বা ডাঙৰীয়াই বেহা-বেপাৰ কৰাৰ উমানো হুচৰি গীতৰ ঘোষা পত্ৰৰ আধাৰত ল'ব পাৰি। এনে বেহা-বেপাৰ কৰাৰ সময়ত ডিব্ৰুগড় জিলাৰ ব্ৰহ্মপুত্ৰৰ পাৰত যি ঠাইত আশ্ৰয় লৈছিল সেই ঠাইখনকে কালক্ৰমত গঁজাই গাওঁ হোৱা বুলি কোৱা হয়।

সোণোৱাল কছাৰী লোকসকলৰ গঢ়-পিত সম্পূৰ্ণ মংগোলীয়। এওঁলোক তাম বৰণীয়া, চাপৰ, চেপেটা নাকৰ, দাড়ি গোফ কম আৰু ঠৰঙা চুলিৰ হয়। সোণোৱাল কছাৰীসকল ৭টা খেল আৰু ১৪টা বংশত বিভক্ত। গাওঁ পাতি বসবাস কৰা এই লোকসকল প্ৰধানকৈ কৃষিজীৱি। গাওঁখনৰ মূল মানুহজন হ'ল গাঁওবুঢ়া। নামঘৰেই হ'ল গাওঁখনৰ প্ৰাণকেন্দ্ৰ, ইয়াতেই সামাজিক আৰু ধাৰ্মিক বিবাদ সমূহ বিচাৰ কৰে। সোণোৱাল কছাৰী লোকসকলে প্ৰধানকৈ ভাত, মাছ, মাংস আৰু বিভিন্ন শাক-পাচলি আদি খায়। ভাতৰপৰা

বনুৰা মদৰ খুব প্ৰচলন আছিল যদিও বৰ্তমানে ই কমি আহিছে। শিক্ষা-দীক্ষা, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য,কাৰবাৰ পাতি আদিৰ ক্ষেত্ৰত এই সোণোৱাল কছাৰী লোকসকলে অন্যান্য জাতিৰ লগতে সমানে খোজ মিলাই আগবাঢ়ি আহিছে। সংস্কৃতিৰ ক্ষেত্ৰখনতো এওলোকৰ সুকীয়া অৱদান আছে। এখন সমাজৰ সংস্কৃতিয়েই প্ৰকৃত পৰিচয়। কোনো এখন সমাজৰ উজ্জ্বল ভৱিষ্যত নিৰ্ণয় কৰে সমৃদ্ধিশালী কলাকৃষ্টি আৰু সংস্কৃতিৰ ওপৰত।

# দ্বিতীয় অধ্যায়

**২.০০ সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতি ঃ**

অন্যান্য জাতি-জনজাতিৰ দৰে সোণোৱাল কছাৰী সমাজতো উলহ- মালহেৰে বিবাহ অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়। বিবাহ হৈছে মাঙ্গলিক কাৰ্য ই জীৱনৰ অন্যতম অংগ। সোণোৱাল কছাৰী সমাজত বিবাহ কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত বহুতো সাবধানতা অবলম্বন কৰা দেখা যায়। বিয়া এখন অনুষ্ঠিত কৰাৰ সময়ত কন্যা ঘৰ বা দৰা ঘৰতেই হওক সন্তান জন্ম হলে বা কোনো ব্যক্তিৰ মৃত্যু হ'লে তেনে অশুচি অৱস্থাত বিবাহ অনুষ্ঠান নকৰি পিছুৱাই দিয়া হয়। সোণোৱাল কছাৰী সমাজত একে বংশ পৰিয়ালৰ লোকৰ মাজত বিবাহ অনুষ্ঠিত কৰাটো সম্পূৰ্ণ নীতি বিৰোধী বুলি গণ্য কৰা হয়।

সোণোৱাল জনগোষ্ঠীৰ মাজত প্ৰধানকৈ দুটা পদ্ধতিৰ বিবাহ দেখিবলৈ পোৱা যায়।

১)তোলনী বিয়া

২) বৰ বিয়া

এই দুয়োবিধ বিবাহৰ সম্যক আলোচনা কৰিবলৈ যত্ন কৰা হৈছে

**২.০১ তোলনী বিয়া**

সংস্কৃতিৰ পথাৰত তোলনী বিয়াৰ এক উল্লেখনীয় ভূমিকা আছে। তোলনী বিয়াত এজনী ছোৱালী কিশোৰী অৱস্থাৰ পৰা পুষ্পিতা হোৱাৰ লগে লগে বিভিন্ন নীতি-নিয়মৰ মাজেৰে পৰম্পৰাগতভাৱে পালন কৰা হয়। গোপিনীসকলক মাতি আনি পুষ্পিতা হোৱা ছোৱালী জনীক গোপিনীসকলে পুৰুষ, গৰু-ছাগলী আদি নেদেখাকৈ কলপাত দুখন, তামোল এটা, দাব কটাৰী দি আঁৰ কাপোৰ তৰি দি উৰুলিৰ মঙ্গল ধ্বনিৰে  চুকত মাটিত পাটি পাৰি থাকিবলৈ দিয়ে। এনেদৰে থাকিব দিয়াকে চুকত সুমুৱা বুলি কোৱা হয়। এনেদৰে তিনিদিন চুকত ৰখা হয়। আজিকালি সময়ৰ পৰিবৰ্তনৰ লগে লগে বিছনাতে থকিবলৈ দিয়া হয়। কন্যা গৰাকীক ফল-মূল জাতীয় কেচা খাদ্য খাবলৈ দিয়া হয়। সৰু সৰু ছোৱালীবোৰে গধূলি কন্যা ৰখিবলৈ আহে। মঙ্গলতিৰ ওচৰত মঙ্গল চোঁওৱা হয় আৰু বিয়াৰ দিন বাৰ মঙ্গলতিৰ বিধান অনুসৰি ঠিক কৰা হয়। মঙ্গলতিয়ে বিয়াৰ দিন বাৰ কি যুগ পৰিছে, বিয়া ন- দিনীয়া, এঘাৰ দিনীয়া নে পোন্ধৰ দিনীয়া নিৰিখত বিয়াৰ দিন ধাৰ্য কৰি দান- দক্ষিণা আদিৰ সকলো বিধান দিয়ে। কিবা গ্ৰহ দোষ, কাল দোষ থাকিলে নিৰাময়ৰ বাবে ব্ৰতত থাকিবলৈ পৰামৰ্শ দিয়ে। তিনিদিনৰ দিনা কন্যাৰ মূৰত তেল দিয়া হয়। এনেদৰে তিনিদিন থকাৰ পাছত চাৰিদিনৰ দিনা চাৰিদিনিয়া গা-ধুওৱা হয়। চাৰিদিনৰ দিনা গা-ধুৱাওতে ইকৰা, পাতিদৈ আদিৰ সহজতে জি উঠা গছেৰে বেইৰ আকৃতি সজা হয়। চাৰিদিনৰ দিনা এনেদৰে গা- ধুওৱাই চাৰিদিনিয়া নিয়ম পালন কৰে। ওচৰ চুবুৰীয়া লগ হৈ তামুলী পীৰাত কইনাক গা-ধুৱায়। কইনা ৰখা কোঠাটো এগছী মিঠাতেলৰ চাকি জ্বলাই দোলনীত চাউল এটা ঘটত আমৰ ডাল, সেন্দূৰ ফোঁট আৰু ঘটৰ ডিঙিত এঁৰা সূতা মেৰিয়াই দিয়া হয়। আনহাতে চাউলৰ দোলনীত এখন্ গামোচাত এখন ঠালতে লাগি থকা কেঁচা তামোল, চুলি বা দূবৰি কেইদালমান, আৰৈ চাউল আৰু তামোলৰ আঙনিত সোণ আৰু পোৱালমণি এধাৰী পিন্ধাই কনাই' নামৰ টোপোলা বান্ধে চাৰি দিনৰ পৰা কইনাই এসজীয়া ভাত খাই থাকিব লাগে। আৰু গাভৰুসকলে বিয়া মতাৰ নিয়ম, দুৱাৰ দলিত আমদালি গঁথা হয়।

নোৱাই-তোলনী বিয়া এজনী ছোৱালীৰ যৌৱন প্ৰাপ্ত হোৱাৰ সংকেত। সেয়েহে তোলনী বিয়াত সন্তানৰ প্ৰতীক কনাইক কইনাৰ কোলাত দিয়া হয়। আয়তী সকলে কনাইক কোলাত লৈ চুমা খাই কইনাজনীক দিয়ে আৰু কইনাজনীয়েও ওলোটাই মাক আৰু আয়তী সকলৰ লগত সলনা-সলনিকৈ লয়। বিয়া উঠাৰ আগদিনা গাঁৱৰ মহিলা, গাভৰু আটাইয়ে মিলি আখৈ খোলা পাতি আখৈ ভাজে। গধূলিলৈ কইনাৰ মূৰত তেল দিয়া হয়। বিয়াৰ দিনা কইনাক গা-ধুৱাবলৈ নৈৰ ঘাটত সকলো গাভৰু মহিলা মিলি পানী তুলিবলৈ যায়। আৰু লগতে কইনাৰ মাক আৰু দোণ-কলচী ধৰিবলৈ এজনী কুমাৰী ছোৱালীও লগত যায়।পানী তোলা ঠাইত মাটিৰ সৰু সৰু তিনিতা ঢিপ সাজি খৰিকা দি এঁৰা সূতা মেৰিয়াই দিয়ে আৰু তামোল-পাণ এযোৰ আগ কৰি পানী কটা হয়। পানী কাটোতে এগৰাকিয়ে কি কাটিছা ? বুলি প্ৰশ্ন কৰে। তেতিয়া আন এগৰাকিয়ে আমুকৰ পানী কাটিছে বুলি কয়। কলচি ধৰা গৰাকিয়ে নৈৰপৰা কলহত পানী ভৰাই ঘৰমৰা হয় এনেদৰে পানী তোলা কাৰ্য সম্পাদন হয় আয়তী সকলৰ বিয়া নামৰ মাজেৰে। কইনাজনীৰ বিশেষ দিনটোত অৰ্থাৎ মূল বিয়াৰ দিনা বেইঘৰ সজা হয়। কলপটুৱা, বাঁহ, কলদিল আদিৰে আটক ধুণীয়াকৈ ‘বেইঘৰ’ সজা হয়। চাৰিটা খুটাৰ চাৰিচুকে পইছা দিয়া হয়। কইনাজনীক বেই তললৈ আনি তামুলী পীৰাত বহাই খাৰপানী, মাহপানীয়ে মূৰ ধুৱাই, মাহ-হালধীৰে কইনাজনীক নোৱাই-ধোৱাই আয়তী সকলে জাউৰীয়ে জাউৰীয়ে বিয়া নাম গায়। কলপুলীৰ প্ৰতীক ৰূপী এটা দৰা সজা হয় বেইতে, কইনাজনীয়ে তিতা-তিয়নিৰে মাহ-হালধিৰে সোঁহাতে মাহ আৰু বাঁওহাতে হালধি লৈ আঠু কাঢ়ি কলপুলিটোৰ গাত তলৰপৰা ওপৰলৈ তিনিচোচ মাৰি আয়তীৰ উৰুলিৰ লগে লগে পানী একলহ ঢালি আগৰাতি ভাজি থোৱা আখৈ এমুঠি আৰু পোৱাতে খুন্দি দিয়া কেঁচা পিঠাগুৰি দুয়োখন হাতে লৈ কলপুলিটোৰ গুৰিত দি সেৱা কৰে। নোৱাই-ধোৱাই হোৱাৰ পাছতে কইনাক বেই তলতে মুগা ব পাটৰ ৰিহা মেখেলা পিন্ধায়। কইনাক বেই তলতে থুৰীয়া তামোল খাবলৈ দি বেইৰ প্ৰতি খুটাত সেই তামোল ওকলিয়াই দিয়াৰ নিয়ম। ওকলিয়াই দিয়াৰ বাবে এই তামোলক ওক তামোল বুলি কোৱা হয়। বেইৰ তলত ওলোৱা-সোমোৱা অপৰাধ নালাগিবৰ বাবে সূৰ্যলৈ চাই এখন হাতত আখৈ তামোল-পাণ আৰু আনখন হাতত পানী এবাটি আৰু তামোল-পাণ লৈ সেৱা কৰাৰ নিয়ম। বেই তলৰপৰা কইনাক ডাং কোলাকৈ অনা হয় আৰু ৰভা তলত বহোৱা হয়। ৰভাৰ তলত বহুৱাই মঙ্গলতিয়ে উল্লেখ কৰা ৰঙৰ কাপোৰ পিন্ধোৱা হয়। ৰভা তলত আখৈ, পিঠা গুৰি এখৰাহী, গুৰ, গাখীৰ টেকেলী, দালি তিনিটা আৰু শৰাই সজা হয়। কইনাজনীৰ মূৰ আঁচুৰি কলপাতৰ তিনিদলিয়া সেন্দূৰৰ ফুঁট দি ছোৱালীজনীক এসাজ নতুন কাপোৰেৰে সজোৱা হয়। ইয়াৰ পাছতে কইনাক ৰভাৰ তলৰ পৰা উঠোৱা হয়। পূৰ্বতে এই বিয়াত মতা মানুহ উপস্থিত থকা বা যোৱাটো সম্পূৰ্ণ নিষিদ্ধ আছিল। বৰ্তমান এই ব্যৱস্থাৰ পৰিবৰ্তন হোৱা দেখা যায়।

কইনাৰ কৰণীয় কাম-কাজবোৰ সম্পাদন কৰাৰ পাছত বয়োজ্যেষ্ঠ মহিলা আৰু বোৰবীসকলে বিভিন্ন আচাৰ ৰীতিসমূহ শেষ কৰি আখৈ বিতৰণ কৰে। পূৰ্বতে চিৰা দৈ, চুজী আদি খোৱাৰ ব্যৱস্থা কৰিছিল। বৰ্তমানে মাছ-মাংস, ভাত আদিৰ প্ৰচলন হৈ আছে। ঠাই বিশেষে এই নীতি- নিয়মসমূহৰ কিছু সাল-সলনিদেখা যায়। কইনা কালত যাতে কোনো দোষ আঁসোৱাহ নাথাকে তাৰ বাবে পৰ্যমানে চেষ্টা কৰে। নহলে কইনা কালৰ দোষে ছোৱালীজনীক আজীৱন ক্ৰিয়া কৰে বুলি বিশ্বাস কৰা হয়। দিনৰ

ভাগত বিয়াখনত কাম-কাজ কৰি সহায় কৰা বিয়ালৈ অহা ৰাইজক খুওৱা- বুওৱা কৰা আদি কাম কৰা বাবে গাঁৱৰ ছোৱালীবোৰে মিলি-জুলি এটা ভোজ খোৱাৰ নিয়ম আছিল। যদি কইনাৰ ব্ৰত থাকে তেতিয়া কইনাক নিৰামিষ আহাৰ খাবলৈ দিয়ে। শান্তি বিয়া প্ৰথম দিনা আৰম্ভৰ পৰা শেষৰ দিনালৈকে ওচৰ চুবুৰীয়াই বিয়া নাম গাই উদুলি-মুদুলি পৰিবেশ এটাৰ সৃষ্টি কৰে। সেইদিনাই দুনৰী ধৰা ছোৱালীজনীক বস্তু উপহাৰ দিয়া হয়। দুনৰী ধৰা ছোৱালীজনীয়ে কইনাৰ লগতে সমাজৰ আশীৰ্বাদ লোৱা আদিকে ধৰি বিভিন্ন অংশ লয়। ঠিক এইদৰেই সোণোৱাল কছাৰী লোকসকলে অতিতৰেপৰা নীতি-নিয়মেৰ মাজেৰে তোলনী বা শান্তি বিয়া উলহ-মালহেৰে তুলি আহিছে। বৰ্তমান সময়ত বৈজ্ঞানিক প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱ পৰি ঠাই ভেদে, অঞ্চলভেদে অতীতৰ কিছুমান নীতি-নিয়ম পৰিবৰ্তন হৈছে আৰু কিছুমান নীতি-নিয়ম পালন কৰি অহা দেখা গৈছে।

**২.০২ বৰবিয়া**

সোণোৱাল জনজাতিৰ সমাজত অতিতৰেপৰা সামাজিক নীতি-নিয়মৰ মাজেৰে বিবাহ কাৰ্য অনুষ্ঠিত হৈ আহিছে। ‘বৰ বিয়া’ সোণোৱালসকলৰ সবাতোকৈ শ্ৰেষ্ঠ আৰু আদৰণীয় বিবাহ ব্যৱস্থা। বিবাহ কাৰ্যৰ লগত কঠোৰ নিয়ম-নীতি, যৌতুকৰ ব্যৱস্থা নাই যদিও তেওঁলোকৰ কিছুমান সমাজ বিৰোধী নিয়ম আছে। এই নিয়ম সমূহ যদি কোনোৱাই ভংগ কৰা দেখা যায় তেতিয়া ৰাইজে সমাজৰ পৰা এঘৰীয়া কৰা হয় আৰু সকলো অনুষ্ঠানৰ পৰা বিৰত ৰাখে। সোণোৱাল সমাজত বিবাহৰ প্ৰসংগত দেখা দিয়া সমাজ বিৰোধী আচৰণ হ’ল-একে বংশ অৰ্থাৎ একেটা গোত্ৰ বা পৰিয়ালৰ ডেকা গাভৰুৰ মাজত বিবাহ সম্পন্ন হ’ব নোৱাৰে।

সোণোৱাল কছাৰীসকলৰ বৰ বিয়াৰ প্ৰকাৰ এনেদৰে পোৱা যায় -

(ক) নোৱাই-ধুৱাই দিয়া বৰ বিয়া

(খ) অনুষ্টুপীয়া অথবা ৰভা মৰকাই দিয়া বিবাহ

(গ) গন্ধৰ্ব বিবাহ ব পলুৱাই নিয়া বিবাহ।

(ক) **নোৱাই-ধুৱাই দিয়া বৰ বিয়া**

ব্ৰাহ্ম বিবাহৰ সম পৰ্যায়ৰ ‘বৰ বিয়া’ সোণোৱাল কছাৰীসকলৰ সবাতোকৈ শ্ৰেষ্ঠ বিবাহ ব্যৱস্থা দৰাঘৰে কইনা নিৰ্বাচন কৰাৰ পিছতে আড়ম্বৰপূৰ্ণভাৱে দৰা কইনা উভয়ৰে ঘৰত আত্মীয় জনৰ উপস্থিতিত নোৱাই-ধুৱাই অথবা বৰ বিয়া অনুষ্ঠিত হয়। কন্যাৰ পিতৃ-মাতৃয়ে এজন সুযোগ্য পুৰুষ বা যুৱকক নিজ কন্যাৰ বাবে নিৰ্বাচন কৰে। সকলো দিশতে যদি ব্যক্তিজন ভাল হয় একে বংশৰ নহয় তেতিয় তেওঁক বৰ হিচাপে স্থিৰ কৰি বিবাহৰ প্ৰস্তুতি কৰে। দৰা ঘৰৰ পক্ষইও কন্যাৰ সকলো গুণ চালি- জাৰি চাই সন্মতি প্ৰদান কৰে। তাৰ পাছতেই সামাজিক ব্যৱস্থা অনুসৰি দিন বাৰ স্থিৰ কৰি বিবাহ কাৰ্য সম্পূৰ্ণ কৰে। বিয়াৰ সামাজিক নীতি অনুসৰি দৰা পক্ষই কইনাক আঙঠি পিন্ধায়। কইনা পক্ষইও ফুলাম গামোচা দি সহাৰি জনায়। পূৰ্বৰ পৰা চলি অহা নিয়ম অনুসৰি বৰ বিয়াত দৰা ঘৰত নুওৱা- ধুওৱা নকৰিলে কইনা ঘৰতো নকৰে। সোণোৱাল কছাৰীসকলৰ মাজত হোম পুৰা বিয়া পতা নহয়। ৰাইজ মাতি সভাস্থলিত ৰাইজৰ সেৱা কৰোৱাই বিজ্ঞজনে বুজনি দি কইনা সম্প্ৰদান কৰা হয়। বিয়াৰ আগদিনা বা বিয়া দিনা আগবেলাতেই দৰাঘৰীয়াই কইনাৰ

ঘৰলৈ জোৰোণ আনি গাঁৱৰ ৰাইজক তামোল-পাণৰ শৰাই আগবঢ়াই যাবতীয় আ-অলংকাৰ কইনাৰ ঘৰত দিয়ে। আ-অলংকাৰ পিন্ধি কইনাই পিতৃ-মাতৃ আৰু সমজুৱাৰ আগত আঁঠু লয়।

আনুষ্ঠানিকভাৱে পানী তোলে। এই বিয়াতে তোলনী বিয়াৰ নিয়ম অনুসৰি পানী তুলিবলৈ দোলনী, কলচিত চাকি-শলিতা, তামোল-পাণ দি নদীৰ ঘাট নতুবা পকী কুঁৱা বা নাদৰপৰা পানী তুলি আনে। দৰা বা কইনাৰ মাকে ডালি কলচি ধৰি পানী তোলে। হাতৰ মুঠিৰে পাঁচটা সৰু সৰু ঢিপ বনাই প্ৰতিটো ঢিপত এডালকৈ খৰিকা-কাঠীৰে গোঁজ মাৰি এঁৰা সূতা মেৰিয়াই দি প্ৰত্যেক ঢিপত একোখনকৈ থুৰীয়া তামোল দিয়া হয়। এই পাঁচটা ঢিপক ব্ৰহ্মা, বিষ্ণু, স্বৰ্গ, নৰগ আৰু পাতালক সাক্ষী ৰাখি দৰা ব কইনাৰ মাকৰ আঁচলখন কলচীত দি এখন কাচিৰে পানী কাটি ভৰোৱা হয়। এই পানী কটাত কিছুমান প্ৰশ্ন সোধা হয় কাৰ বিয়া? কি কাটিছে? পানী তুলি ঘূৰি আহোঁতে বিয়া নাম গাই আয়তীসকলে দৰা বা কইনাক বেইৰ তললৈ আনে আৰু মা-হালধিৰে নুওৱাই। বেইত সাতপাক ঘূৰাই বেইৰ ভিতৰত দৰা বা কইনাক বহুৱাই মা- হালধিৰে নোৱাই-ধুৱাই আয়তীসকলে জাউৰিয়ে জাউৰিয়ে বিয়া নাম গাই পৰিবেশ আনন্দমুখৰ কৰি তোলে। এগৰাকী আত্মীয়ই দৰা বা কইনাক বেইৰ তলৰপৰা দাঙি আনি সজাই থোৱা মৰলৰ সন্মুখত বহুৱাই অৰু ঘৰৰ মাতৃস্থানীয় লোকে এখ্ন তামোল-পাণৰ শৰাই লৈ দৰা ব কইনাক সজাবলৈ আয়তীসকলক অনুৰোধ জনায়। বিয়া নামৰ জাউৰিয়ে জাউৰিয়ে আয়তীসকলে কইনা সজাই দৰাৰ অপেক্ষাত ৰয় আৰু দৰাই কইনা আনিবলৈ বাবে যাত্ৰা কৰে।

নিয়ম-নীতিৰে দৰা ঘৰৰ বৰঘৰত পিতৃ-মাতৃ, ইষ্ট দেৱতাক সেৱা জনোৱাৰ পিছত দৰাই কইনাৰ ঘৰলৈ তামোল-পাণৰ ভাৰ-ভেটি আৰু মাননিসহ যাত্ৰা আৰম্ভ কৰে। দৰাৰ লগত দৰাৰ পিতৃ আৰু স্থানীয় লোকসকল যাব পাৰে। কিন্তু মাতৃ যোৱাৰ প্ৰসংগত বাধা আছে। কইনাৰ ঘৰত পিতৃ-মাতৃ আৰু আত্মীয় জনক ভাগে ভাগে মান-বস্তু, তামোল-পাণৰ শৰাই দি মান লোৱা দিয়াৰ প্ৰচলন আছে। তাৰ পাছত কইনা থকা কোঠাৰ ভিতৰত তামোল-পাণৰ শৰাই আগবঢ়াই আৰু ইয়াৰ পাছতে জীয়ৰী- বোৱাৰীহঁতে ৰভাৰ তলত থকা সমাজৰ মাজলৈ কইনাজনীক উলিয়াই আনে। এই সময়তে দৰা পক্ষ আৰু কইনা পক্ষৰ আয়তীসকলে দৰা- কইনাৰ জীৱনৰ পাতনি মেলাৰ প্ৰাক সময়ৰ কথা সোঁৱৰাই দিয়ে। ভকতসকলে নাম-প্ৰসংগৰ জৰিয়তে দৰা কইনাক হৰ-গৌৰীৰ বসতি হওক বুলি আশীৰ্বাদ দিয়ে। এনেদৰে বিয়াখন সম্পন্ন হয়।

কইনা উলিয়াই দিওঁতে কইনাই পিছলৈ ঘূৰি চাব নাপাই বুলি এক লোকবিশ্বাস আছে। ঘূৰি চালে পিতৃ গৃহৰ সা-সম্পত্তি ছোৱালী গৃহলৈ যায় বুলি বিশ্বাস কৰে। ছোৱালীৰ লগত যৌতুক দিয়াৰ কোনো ব্যৱস্থা সমাজত নাই কিন্তু প্ৰয়োজনীয় দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীহে দিয়া দেখা যায়। কইনা লৈ দৰা নিজ গৃহত প্ৰবেশ কৰাৰ সময়ত বৌয়েক বা বায়েকে পদূলীমুখতে আদৰণি জনায়। ঘৰৰ চোতাল পোৱাৰ লগে লগে দৰা কইনাক দৰাৰ ভনীয়েকে এখন পীৰাৰ ওপৰত ভৰি ধুৱায়। ইয়াৰ পিছতে লখিমী ভৰাঁল, গোসাই ঘৰ, গোহালি ঘৰ আদিত সেৱা কৰোৱাই ঘৰৰ ভিতৰত সোমোৱাৰ আগতে এটা জলপূৰ্ণ কলহত হাত ভৰাই আৰু চিকা ৰূপটো উলিয়াই আনে। তাৰ পাছত কইনাক ভিতৰত পাটি পাৰি বহোৱায়। কইনা থবলৈ অহা কইনা পক্ষক আদৰ জনোৱাৰ লগতে আহাৰ দি আপ্যায়ন কৰোৱাৰ নিয়ম। যি সকলে ঘৰত মদ পানী ৰাখে তেওঁলোকে পানীয় পানৰ ব্যৱস্থাও কৰে। প্ৰথমে মাক-দেউতাকক সেৱা কৰা পাছত সম্বন্ধীয় জ্যেষ্ঠ সকলক দৰা কইনাই সেৱা জনায়। এই মাননি কইনাই লগত অনা মানেৰেহে কৰা হয়।

বিয়াৰ দিনা কইনা পক্ষই কিমান মাননি দিব আগবতিয়াকৈ দৰা পক্ষই জনোৱা হয়। এনেদৰে উলহ মালহেৰে আয়তীৰ বিয়া নাম, ঢোল দগৰ আদিৰে এই দিনটোৰ পৰিসমাপ্তি ঘটে। এনে বিয়াকে নোৱাই-ধুৱাই দিয়া অৰ্থাৎ বৰ বিয়া বোলা হয়।

(খ) **অনুষ্টুপীয়া অথবা ৰভা সৰকাই দিয়া বিবাহ ঃ**

গাঁৱলীয়া সমাজত বিবাহক স্বীকৃতি দিবৰ বাবে কম উপাৰ্জনক্ষম সোণোৱাল লোকসকলে আনুষ্ঠানিকভাৱে বিবাহ কাৰ্য সমাধান কৰে। এই বিলাকত সাধাৰণতে দৰা-কইনাক এসাজ ভালকৈ খুৱাই ভকতৰ আশীৰ্বাদৰ জৰিয়তে বৈবাহিক জীৱনৰ সামাজিক স্বীকৃতি দিয়ে। এই বিয়াতো দৰা ঘৰৰ পদূলিত উপস্থিত হৈয়ে দৰা-কইনাক গাঁৱৰ নামঘৰ, গৃহস্থৰ ভৰাঁল ঘৰ,গোহালি ঘৰত আঁঠু লৈ সেৱা জনোৱাটো এটা নীতি। দৰা-কইনাক দৰাৰ ভনীয়েকে ভৰি ধুৱাই আদৰা হয়। অন্য কেইখন বিয়াৰ দৰেই নিয়মবোৰ কৰা হয়। বিয়াৰ পিছত আঠ্মঙলা, ঘৰ উঠিবলৈ যোৱা আদি নিয়মবোৰৰ মজেৰে সম্পাদিত হোৱা বিবাহ প্ৰক্ৰিয়াই দৰা-কইনাক সামাজিক হ'বলৈ শিক্ষা দিয়ে। সোণোৱাল সমাজত এই বিবাহৰহে অধিক প্ৰচলন হোৱা দেখা যায়।

(গ) **গন্ধৰ্ব বিবাহ বা পলুৱাই নিয়া বিবাহ**

গন্ধৰ্ব বিবাহ বা পলুৱাই নিয়া বিয়াত ল'ৰা ছোৱালীৰ মনৰ মিলন হ'লে ঘৰৰ অমতত বন্ধু-বান্ধবৰ সহায়ত এই বিবাহ সম্পন্ন কৰে। ল'ৰাই ছোৱালীক কইনা ৰূপে ঘৰলৈ আনে। ল'ৰা ছোৱালীৰ মন মিলিলে দুয়োজনে দিন-বাৰ, মাহ ঠিক কৰি ছোৱালীজনী পলাই আহে। দৰাৰ পিতৃ-মাতৃয়ে ছোৱালীজনীৰ পৰিচয় লয় যদি কোনো লগা ভগা একে বংশৰ নহয় তেতিয়া। বিয়াৰ সামাজিক নীতি-নিয়ম অনুসৰি মানি লয়। পলুৱাই অনা কইনাক দৰা ঘৰত আদৰাৰ বিশেষ নিয়ম আছে। কইনাই দৰাৰ পদূলিত উপস্থিত হোৱাৰ লগে লগে জাতি-কুটুম তথা গাঁৱৰ গঞাই ঢোল-তাল লৈ গৃহস্থৰ লগতে কইনাক আদৰিবলৈ যা-যোগাৰ কৰে। ইয়াৰ পিছত দৰা-কইনাক ভৰি ধুৱাই ভঁড়াল আৰু গোহালিত সেৱা কৰাই দুৱাৰ ডলিত দি থোৱা দুটা কলহ ভৰ্তি চাউলত থোৱা আঙুঠি বিচাৰিবলৈ দিয়ে। তাৰ পাছত হাঁহি আনন্দৰে কইনাক দৰাই সেন্দূৰ দিয়ে। উৰুলিৰ জাক জাক মঙ্গলধ্বনিত সামাজিক নীতি-নিয়ম অনুসৰি আদৰি লয়। পিতৃ-মাতৃ আৰু বয়োজ্যেষ্ঠজনক সেৱা কৰি আঁঠু লয় দৰা-কইনাই। যুগ্মজীৱন সুন্দৰ আৰু সুখৰ হ'বৰ বাবে আশীৰ্বাদ দিয়ে। ভোজ-ভাত খায় ডেকা-গাভৰু সকলে আনন্দ প্ৰকাশ কৰে। কইনা অনাৰ তিনিদিনৰ পিছত দৰাপক্ষৰ আত্মীয় স্বজন উপস্থিত হৈ চোৰ দেখা দিয়াৰ নিয়ম আৰু তাৰ পাছত জগৰ মৰাৰ ব্যৱস্থা কৰা হয়। সকলোবিধৰ বিয়াতে ঘৰ উঠা, জেঙ ভঙা, আঠ মঙলা আদি অনেক ধৰণৰ এৰাব নোৱাৰা নীতি-নিয়ম আছে।

**২.০৩ ঘৰ উঠা**

সকলোবিধ বিবাহৰ অনুষঙ্গিক ব্যৱস্থা হ'ল- বিয়াৰ পিছত ঘৰ উঠা, আঠ্মঙলা নামেৰে জ্ঞাত বিয়াৰ পিছৰ আন এক এৰাব নোৱাৰা পৰ্ব। বিশেষকৈ বিবাহৰ ক্ষেত্ৰত এই ঘৰ উঠা বিয়াত জাতি কুটুম্বক চিনাকি কৰোৱাৰ বাবেই এই প্ৰথা অবলম্বন কৰা হয়। ইয়াত ভোজ-ভাত খোৱাৰো দিহা কৰা হয়। মান্য জনক মাননিৰ বস্তু প্ৰদান কৰি সেৱা কৰা হয়। আৰ্থিক সামৰ্থ অনুযায়ী কইনা ঘৰৰপৰা ছোৱালীজনীক নিত্য প্ৰয়োজনীয় কিছুমান আচবাব লগত দিয়ে। দৰাপক্ষই কইনা ঘৰলৈ বৰা চাউল, গাখীৰ, তামোল- পাণৰ ভাৰ আৰু এটা হাঁহ নিয়াৰ নিয়ম আছে। বৰ্তমান এই ব্যৱস্থা নাইকীয়া হৈছে যদিও ইয়াৰ মুল্য দিয়া হয়। আত্মীয়

স্বজনে দৰা-কইনাক সামৰ্থ অনুসৰি উপহাৰ দিয়াৰ নিয়ম। অতীতৰ নিয়মৰ মতে ওচৰ চুবুৰীয়াৰ দৰা হ'লে দিনটোত ঘূৰি যোৱাৰ নিয়ম আৰু দূৰণিবটীয়া হ'লে দৰা কইনাক কাম-কাজ শেষ হোৱাৰ পিছত পদুলিলৈকে ওলাই যাবলৈ দি পুনৰ ঘূৰাই আনি দুৱাৰ বন্ধ কৰি সেই নিশা ৰখাৰ নিয়ম।

**২.০৪ বিধবা বিবাহঃ**

সোণোৱাল কছাৰী সমাজত বিধবা বিবাহ পতাত কোনো বাধা নাই। কোনো লোকৰ যদি বিয়াৰ কিছুদিনৰ পিছতে যদি পত্নি বিয়োগ হয় নইবা স্বামীৰ বিয়োগ ঘটে তেতিয়া বিপত্নিকজনে এগৰাকী বিধবাক বিয়া কৰোৱাত সমাজৰ কোনো আপত্তি নাথাকে। বংশ গোত্ৰৰ সম্বন্ধ থকাৰ বাহিৰে যিকোনো অসম্বন্ধীয় বিধবা বা পুৰুষৰ লগত বিয়া হ'ব পাৰে। কিন্তু বিবাহ হ'ব লগা ব্যক্তিকেইজনৰ মত সাপেক্ষে সমস্যাসমূহ সমাধান কৰা হয়। এই বিবাহ আড়ম্বৰপূৰ্ণ ভাৱে পতা হয়। সোণোৱাল সমাজত কিছু পৰিমাণে এই বিবাহ প্ৰচলন হোৱা দেখা যায়।

২.০৫ **বিয়া নাম**

বিয়ানামসমূহ বিয়া এখনৰ এৰাব নোৱাৰা অংগ। বিয়ানামবোৰে সংস্কৃতিৰ পথাৰখনত অতুলনীয় অৱদান আগবঢ়াইছে। সোণোৱাল জনগোষ্ঠীৰ বিয়ানাম সমূহৰো এক অৱদান আছে

**তোলনী বিয়াৰ নাম**

বিয়ানাম উৰুলিৰে মঙ্গল ধ্বনিৰে বিয়া এখনৰ পৰিৱেশ সুন্দৰ আৰু চমকলগা কৰি তোলে।

১) **নোৱাই তোলনী বিয়ানামঃ**

**উৰুলি**

অ মাইটি অ মাৰাই মাতিছে নামাতা কিয়
নামাতো নামাতো মাৰ গাত দোষ
চাৰিদিন লঘোণত ৰাখিছে মোক
এই চাৰিদিনত ক'ত পালো
বাল্য কাল হেৰুৱাই যৌৱন কাল পালো।।২
বাল্য কাল জীৱনটি নোপোৱা ঘূৰাই
আজিৰপৰা হ'লা সঁজাৰে চৰাই
সঁজাৰ চৰাইৰ লগত তোলনা কৰি
আজিৰপৰা হ'বা আমাৰ লগৰী।।

**উৰুলি**

**২) পানী তুলিবলৈ যোৰা নাম**

(ক) অ' হৰি পানী তুলিবলৈ
অ' হৰি ওলাইছে দৈৱকী
কাষতে কলচি লৈ হৰি ৰাম ৰাম।২
অ' হৰি ৰিণিকি ৰিণিকি
অ' হৰি দেখিছো যমুনা
অ' হৰি বৈ আছে কদম তলিত ৰাম ৰাম।

খ) লাই হালে-জালে ফুল-চন্দন তুলসী
আবেলিৰ বতাহে ফুল-চন্দন তুলসী
লফা-হালে ডালে পাতে হে
ফুল-চন্দন তুলসী
ভৰিল নে নভৰিল ৰাধা তোমাৰ কলচী
ভৰিল নে নভৰিল ৰাধা তোমাৰ কলচী

৩) **পানী তুলি ওভতোতে গোৰা নাম**
পানী তুলি ৰাধা
পাচলৈ নাচাবা
সাগৰো আহিব ভৰিহে
ফুল-চন্দন তুলসী
ভৰিল নে নভৰিল ৰাধা তোমাৰ কলচী।
সাগৰো আহিব
ফুল-চন্দন তুলসী,
জগৰো লাগিব
ফুল-চন্দন তুলসী,
নিবহি ৰাইজক ধৰিহে
ফুল-চন্দন তুলসী
ভৰিলনে নভৰিল ৰাধা তোমাৰ কলচী।

**৫) বেই তলত গোৱা নাম**

বেই পাই ঘূৰিলা, পিৰা পাই বহিলা
ঐ ৰাম, পাত পায় মেলিলা ভৰিহে।
মাহ, হালধিয়ে আইদেউকে নোঁৱাইছে
ঐ ৰাম, যেনে পূব আকাশৰ বেলিহে।

**৬) ৰভা তলত গোৱা নাম**

আমদালি গাঁঠিলো দৰ্জা মুখত আঁৰিলো
আমাৰ কইনাৰ মাহীয়েকক সমাজলৈ মাতিছো
সমাজলৈ আহিবা, সুদাহাতে নাহিবা
আমালৈ বুলি মৰ্টন
শৰাই ভৰাই আনিবা।

**বৰ বিয়া নাম ঃ**

**১)পানী তুলিবলৈ যোৱা নাম**

ৰাম কৃষ্ণ দূৰকৈ পুখুৰী
ৰাম কৃষ্ণ খন্দালা দেউতা
হৰি মোৰ ঐ
ভৰিৰে বিষালে গাঁঠি।

**২)পানী তুলি ওভতি আহোতে গোৱা নাম**

ৰাম কৃষ্ণ জলে লৈ যশোদা
ৰাম কৃষ্ণ উলটি নাচাবা।
হৰি মোৰ ঐ
সাগৰো আহিব ভাঙি।
ৰাম কৃষ্ণ সাগৰো আহিব
ৰাম কৃষ্ণ জগৰো লাগিব
হৰি মোৰ ঐ
আমাকো নথবা ৰাখি।

৩) **নোৰাবলৈ কইনাক অনা নাম**

ওলাই আহা আইদেউৰে অ' শশী
দুৱাৰ ডলিৰ বাজে।,
ঘৰতে নোৰাব লাগে অ' শশী
নকৰিবা লাজে।

৪) **বেইৰ তলত গোৰা নাম**

মাহো গেলোৰা, হালধী গেলোৰা
ঐ ৰাম
গেলোৰা নাদৰে পানীহে।
মাহো গেলোৰা, হালধী গেলোৰা
ঐ ৰাম
গেলোৰা নাদৰে পানীহে।

৫) **যোৰা নাম**

সৰু সৰু চৰাইবোৰে ফৰিং ধৰি খায়,
কোমল কইনা বিচাৰোতে ডাড়ি পকি যায়।

৬)**আয়তীসকলৰ কইনাক দিয়া উপদেশমূলক বিয়া নাম**

আকাশত বগালে আকাশী লতা
শুনাচোন আইদেউ কেইটামান কথা,
পুৱতি নিশাতে উঠিবা শুই
বাহি-বন কৰিয়েই ধৰিবা জুই
পেলাব লাগিব চোতালৰ জাঁৱৰ।

৭)**জোৰোণৰ নাম**

মাৰাৰ অলংকাৰ থোৰা কাটি কৰি
এ ৰাম দেউতাৰৰ অলংকাৰ থোৱাহে
ৰামে দি পঠাইছে সুবৰ্ণ অলংকাৰ
এঁ ৰাম মূৰ দোৱাই দোৱাই লোৱাহে।

৮)　ৰভা তলত গোঁৰা নাম
পুতু পুতু বুলি মা-দেউতাই মাতে
ৰিহা, ধুতি, কামিজ ক’তেনো আছে।
বাইদেউ বাইদেউ বুলি ভাইটিয়ে মাতে
বৰপেৰাৰ চাবিটো ক’তেনো আছে।
নেখাইও খোৱালা মৰমৰ মা
নিপিন্ধি পিন্ধালা চেনেহৰ দেউতা।
ৰিহা, ধুতি, কামিজ আলনাত থ’লো
বৰপেৰাৰ চাবিটো ভণ্টিক গতালো।

৯। **বিদায় মূহুর্ত**

হাতত পাণ বঁটা লৈ
মাৰা দেউতাৰাক
যাবৰ সময়তে সেৱাহে কৰাগৈ।
চেনেহৰ মা ঐ যাবলৈ ওলালোঁ
যাবৰ সময়তে সেৱাহে জনালোঁ
মৰমৰ দেউতা ঐ যাবলৈ ওলালো
যাবৰ সময়ত সেৱাহে জনালোঁ।

ঐ গছৰ কুমল কুঁহি
ভাটৌ পৰি খায়
দেউতাই পোহা মইনা চৰাই
লোকে লৈ যায়।

বিবাহ কাৰ্য হ’ল অসমীয়া সমাজৰ অতি আনন্দদায়ক উৎসৱ। এই বিয়া নাম সমূহ এক এৰাব নোৱাৰা আনন্দদায়ক সংযোজন। এই বিয়া নামসমূহৰ স্বৰচিত ইয়াৰ কোনো লেখক নাই। অতিতৰ পৰা মুখ বাগৰি আহি আহি বিয়া নাম সমূহে সংস্কৃতিৰ পথাৰখন চহকী কৰাত সহায় কৰিছে।

# তৃতীয় অধ্যায়

৩.০০ **সিদ্ধান্ত**

সময়ৰ কোবাল সোঁতত সংস্কৃতিৰ ৰূপ সলনি হয় ।সোণোৱাল কছাৰীসকলৰ বিবাহৰ লগত জড়িত ৰীতি-নীতি আজি স্থবিৰ হৈ থকা নাই। বিবাহ হ'ল জীৱনৰ এটা অন্যতম অংগ। সোণোৱাল কছাৰীসকলৰ বিবাহ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি। তলত সেইবোৰ উল্লেখ কৰা হ'ল-

(ক) বৰ্তমান আজিৰ সমাজত তোলনী বিয়াৰ বিৰোধিতা কৰা হয়। তথাপিও নীতি-নিয়মেৰে ভৰপুৰ তোলনী বিয়াৰ এটা সুকীয়া আমেজ আছে।

(খ) আজি কালি বিয়াসমূহত নিয়ম-নীতিৰ সলনি জাক-জমকতাই বেছি ঠাই পাইছে।

(গ) বিয়া নাম সমূহৰ ঠাই লৈছে ডিজে সংগীত সমূহে।

(ঘ) বিয়া নামবোৰ বৰ্তমান লুপ্ত হৈ আহিছে। কিন্তু এতিয়ালৈকে যি খিনি চলি আহিছে সেইবিলাক সংগ্ৰহ কৰি ৰাখিব পাৰিলে এই বিয়ানাম সমূহে অসমীয়া লোকসাহিত্যৰ এক মূল্যবান সম্পদ হৈ ৰ'ব।

**৩.০১ উপসংহাৰ ঃ**

সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতিৰ নীতি-নিয়মসমূহ আধুনিকতাৰ ফলত হেৰাবলৈ ধৰিছে। সামাজিক সম্বন্ধ গঢ়াত বৈবাহিক ব্যৱস্থাৰ গুৰুত্ব অধিক। বৰ্তমান বিশ্বায়নৰ সময়ত সোণোৱাল সমাজৰো বিভিন্ন সম্প্ৰদায় তথা জাতি-গোষ্ঠীৰ লগত বৈবাহিক সম্বন্ধ স্থাপন হৈছে। বিবাহৰ লগত জড়িত ৰীতি-নীতিসমূহ ধৰি ৰাখি অসমীয়া সংস্কৃতি সুন্দৰ কৰি ৰখাৰ প্ৰয়াস কৰা হয়। পূৰ্বতে অন্য সম্প্ৰদায়ৰ লগত সোণোৱাল ডেকা-গাভৰুৰ বিবাহ নহৈছিল যদিও যুগ আৰু পৰিবৰ্তনৰ লগে লগে চিন্তাধাৰাৰ সলনি হোৱাৰ ফলতে সমাজৰ মুল্যবোধৰো পৰিবৰ্তন ঘটিল।

তাৰিখ ঃ ১১-০৭-২০২২ নাম ঃ চয়নিকা শইকীয়া

**প্ৰসংগ টোকা ঃ**

১)  নাথ, প্ৰফুল্ল কুমাৰ, হাকাচাম, উপেন ৰাভা সম্পাদনাঃ  অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ, পৃ: ১৮৩

২)শইকীয়া, লভিত কুমাৰ ঃ সোণোৱাল কছাৰীৰ সংস্কৃতি, পৃ: ৬৪, ৬৫

৩) কাগয়ুং, মৃণালী সম্পাদনাঃ অসমৰ সংস্কৃতি অধ্যয়ন পৃ: ১৯৯, ২০০

৪) কছাৰী, নন্দেশ্বৰ ঃ সোণোৱাল কছাৰী সমাজ সংস্কৃতি আৰু ভাষাৰ পৰিচয়, পৃঃ ১১০-১৭০

# গ্ৰন্থপঞ্জী


১) কছাৰী, নন্দেশ্বৰ ঃ *সোণোৱাল কছাৰী সমাজ সংস্কৃতি আৰু ভাষা পৰিচয়*। প্ৰকাশক ঃ সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ডিব্ৰুগড়, জনজাতি গৱেষণা বিভাগ, প্ৰথম প্ৰকাশ ঃ ২০১১

২) দাস, অংশুমান সম্পাদনা ঃ *অসমৰ বাৰেৰহণীয়া সংস্কৃতি*, প্ৰকাশক ঃ আঁক-বাক, প্ৰথম প্ৰকাশ ২০১০, ডিচেম্বৰ।

৩) দাস, প্ৰমোদচন্দ্ৰ সম্পাদনা ঃ *অসমৰ সংস্কৃতি জিজ্ঞাসা*, অলিম্পিয়া প্ৰকাশন, প্ৰথম প্ৰকাশ, মে ২০১৫।

৪) বৰুৱা, প্ৰদীপ ঃ *চিত্ৰ বিচিত্ৰ অসম*, জ্যোতি প্ৰকাশন, পাণবজাৰ গুৱাহাটী, প্ৰকাশনৰ চন-২০১১

৫) হাকাচাম, উপেন ৰাভা, নাথ প্ৰফুল্ল কুমাৰ, সম্পাদনা ঃ অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ. প্ৰকাশক- অনন্ত হাজৰিকা, বনলতা, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, মাৰ্চ, ২০১৭

৬) শইকীয়া, লভিত কুমাৰ ঃ *সোণোৱাল সংস্কৃতি*, প্ৰকাশক- লভিত কুমাৰ শইকীয়া, মেগেলা চৈখোৱা ঘাট, তিনিচুকীয়া অসম, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৮১

**তথ্য দাতা সকলৰ পৰিচয়**

৬) নাম ঃ শ্ৰীমতী অনিমা কছাৰী
লিংগ ঃ মহিলা
বয়স ঃ ৬০ বছৰ
ঠিকনা ঃ বৰপাছী, বৰহোলা
জীৱিকা ঃ গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংকঃ ১৪-০৫-২১

২) নাম ঃ শ্ৰীমতী ললিতা কছাৰী
লিংগ ঃ মহিলা
বয়স ঃ ৪০ বছৰ
ঠিকনা ঃ বৰপাছী, বৰহোলা
জীৱিকা ঃ গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংকঃ ১৫-০৫-২১

৩) নাম ঃ শ্ৰীমতী বিমলা সোণোৱাল
লিংগ ঃ মহিলা
বয়স ঃ ৫৮ বছৰ
ঠিকনা ঃ চেৰেলী পথাৰ ন-পাম, বৰহোলা
জীৱিকা ঃ গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংকঃ ১৬-০৫-২১

৪) নাম ঃ শ্ৰীমতী মনিষা শইকীয়া
লিংগ · ঃ মহিলা
বয়স ঃ ৪২ বছৰ
ঠিকনা ঃ শইদাল কছাৰী, বৰহোলা
জীৱিকা ঃ গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক ঃ ১৬-০৫-২১

আলোকচিত্ৰ ঃ

সোণোৱাল কছাৰীসকলৰ বৰ বিয়া কিছু দৃশ্যাংশ



দৰা-কইনা



জোৰোণ দিয়া দৃশ্যাংশ

## সোণোৱাল কছাৰীসকলৰ তোলনি বিয়াৰ কিছু দৃশ্যাংশ



তোলনি বিয়াৰ কইনা



কনাহি কোলা লোৱা



বেই ঘৰত কইনা
গা-ধোৱা